# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-04-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিশুল্ক ব্যৱস্থাৰ বাবে বিশ্ব অৰ্থ ব্যৱস্থাত অনিশ্চয়তা দেখা দিয়া সত্বেও ভাৰতীয় অৰ্থ ব্যৱস্থা টনকিয়াল হৈ আছে আৰু ভাৰতৰ ওপৰত এই ব্যৱস্থাৰ কোনো প্ৰভাৱ পৰা নাই বুলি বিজেপিয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীয়ে আজি ৰ'জ ভেলী পঞ্জী কেলেংকাৰীৰ ভুক্তভোগীসকলক ধন ঘূৰাই দিয়াৰ বাবে সম্পত্তি নিষ্পত্তি সমিতিৰ অধ্যক্ষ ডি কে ছেঠৰ হাতত ৫১৫ কোটি টকাৰো অধিক মূল্যৰ এখন ডিমান্দ ড্ৰাফ্‌ট অৰ্পণ কৰে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে।

৪। পশ্চিমবংগত ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ বিৰোধী হিংসা প্ৰভাৱিত এলেকাসমূহৰ স্থিতি নিয়ন্ত্ৰণত আছে।

*আৰু*

৫। মোহন বাগান ছুপাৰ জায়েণ্ট কিছুসময়ৰ পাছত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংগালুৰু ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিশুল্ক ব্যৱস্থাৰ বাবে বিশ্ব অৰ্থ ব্যৱস্থাত অনিশ্চয়তা দেখা দিয়া সত্বেও ভাৰতীয় অৰ্থ ব্যৱস্থা টনকিয়াল হৈ আছে আৰু ভাৰতৰ ওপৰত এই ব্যৱস্থাৰ কোনো প্ৰভাৱ পৰা নাই বুলি বিজেপিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত দলৰ মুখপাত্ৰ চৈয়দ জাফৰ ইছলামে কয়, যে ভাৰতীয় অৰ্থব্যৱস্থা আত্মনিৰ্ভৰশীল আৰু ই ক্ষীপ্ৰতাৰে আগবাঢ়িছে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা নীতিগত সিদ্ধান্তই ভাৰতীয় অৰ্থব্যৱস্থাক শক্তিশালী কৰি তোলাত যথেষ্ট অৱদান আগবঢ়াইছে। তেওঁ লগতে কয়, যে ২০১৪ চনত ক্ষমতালৈ অহাৰ পাছতেই মোদী চৰকাৰে তৃণমূল পৰ্যায়ত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছিল। প্ৰধানমন্ত্ৰী জন ধন যোজনা আৰু মুদ্ৰা যোজনাৰ বিষয়ে আলোকপাত কৰি জাফৰ ইছলামে কয়, যে মুদ্ৰা যোজনা সম্প্ৰতি ক্ষুদ্ৰ ব্যৱসায়ী আৰু উদ্যমীসকললৈ সহায় আগবঢ়োৱাৰ বিশ্বজনীন আৰ্হিৰূপে পৰিগণিত হৈছে।

বিজেপি নেতাগৰাকীয়ে তমিলনাডুত বন মন্ত্ৰী কে প'নমোড়িয়ে এটা বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে অশোভনীয় মন্তব্য কৰাৰ বাবে ডি এম কে চৰকাৰৰ তীব্ৰ সমালোচনা কৰে। তেওঁ লগতে কে প'নমোড়িক মন্ত্ৰীপদৰ পৰা অপসাৰন কৰিবলৈ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনক দাবী জনায়।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীয়ে আজি সম্পত্তি নিষ্পত্তি সমিতিৰ অধ্যক্ষ ডি কে ছেঠৰ হাতত ৫১৫ কোটি টকাৰো অধিক মূল্যৰ এখন ডিমান্দ ড্ৰাফ্‌ট অৰ্পণ কৰে। ৰ'জ ভেলি পঞ্জী কেলেংকাৰীৰ আইন সংগত বিনিয়োগকাৰীসকলক তেওঁলোকৰ সম্পত্তি ঘূৰাই দিয়াৰ উদ্দেশ্যে এই সম্পত্তি নিষ্পত্তি সমিতি গঠন কৰা হৈছিল। সম্পত্তি নিষ্পত্তি সমিতিৰ ওচৰত বৰ্তমানলৈ দাখিল কৰা ৩১ লাখ দাবীৰ ভিতৰত প্ৰায় চাৰে ৭ লাখ ভুক্তভোগীক টকা ঘূৰাই দিয়াৰ বাবে এই ধনৰাশি ব্যৱহাৰ কৰা হ'ব বুলি বিত্ত মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰিছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে পশ্চিমবংগ, ওড়িশা, অসম আৰু ত্ৰিপুৰাৰ ৰ'জ ভেলী গোটৰ বিৰুদ্ধে কলা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনৰ ৫ টা গোচৰৰ তদন্ত কৰি আছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনত বিশেষ ন্যায়ালয়ত এই আটাইকেইটা গোচৰত অভিযোগ দাখিল কৰিছে। তদন্তত গোটটোৱে সমাজৰ একেবাৰে তলৰ শ্ৰেণীৰ লোকৰ পৰা ভুৱা প্ৰতিশ্ৰুতিৰে ১৭ হাজাৰ ৫২০ কোটি টকা সংগ্ৰহ কৰাৰ তথ্য পোহৰলৈ আহিছে। এই ধনৰাশিৰ ভিতৰত ৬ হেজাৰ ৬০০ কোটি টকাৰো অধিক ধন বিনিয়োগকাৰীসকলক ঘূৰাই দিয়া হোৱা নাই।

ooooooooo

দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে। হিন্দু দেৱতা হনুমানৰ জন্ম দিনৰ লগত সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয়। দিল্লীত আজি পুৱাৰে পৰা প্ৰাৰ্থনাৰ বাবে হনুমান মন্দিৰসমূহত ভক্তৰ ভিৰ পৰিলক্ষিত হয়। বিশেষকৈ কনাট প্লেছত থকা প্ৰাচীন হনুমান মন্দিৰত ভক্তৰ অভাৱনীয় সমাগত হয়। মন্দিৰটোত হনুমান চালিচা, সুন্দৰ খণ্ড আৰু অখণ্ড ৰামায়ণ পাঠ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হনুমান জয়ন্তী উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে সংকট মোচন হনুমানৰ আশীৰ্বাদত মানুহ সুস্বাস্থ্য, সুখী আৰু সমৃদ্ধিশালী জীৱনৰ অধিকাৰী হৈ উঠিব বুলি আশা প্ৰকাশ কৰে।

ooooooooo

ম্যানমাৰত যোৱা ২৮ মাৰ্চত হোৱা ৭ দশমিক ৭ প্ৰাবল্যৰ ভূমিকম্পৰ পাছৰে পৰা আজি পুৱা পৰ্যন্ত ম্যানমাৰ আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহত ৪৬৮ টা জোকাৰণি অনুভূত হৈছে। থাইলেণ্ডৰ বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত একৰ পৰা ২ দশমিক ৯ প্ৰাবল্যৰ ১৮৪, ৩ দশমিক ৯ প্ৰাবল্যৰ ১৯৮, ৪ৰ পৰা ৪ দশমিক ৯ প্ৰাবল্যৰ ৭৩ টা আৰু ৫ৰ পৰা ৫ দশমিক ৯ প্ৰাবল্যৰ ১৩টা ভূমিকম্পৰ জোকাৰণি অনুভূত হৈছে। থাইলেণ্ডত বিশেষকৈ মাই হোং ছ'নত ২১ টা জোকাৰণি অনুভূত হৈছে। ম্যানমাৰত আজি পুৱাও জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

ooooooooo

তানজানিয়াত কাইলৈৰ পৰা আফ্ৰিকা-ইণ্ডিয়া **কী মেৰিটাইম এনগেজমেণ্ট** চমুকৈ এ আই কি মি শীৰ্ষক এটা বহুপাক্ষিক অনুশীলন কাৰ্যসূচী আৰম্ভ হ'ব। অহা ১৮ এপ্ৰিলত অন্ত পৰিবলগীয়া ছদিনীয়া এই অনুশীলনৰ জৰিয়তে দুয়ো দেশৰ উমৈহতীয়া আঞ্চলিক সামুদ্ৰিক প্ৰত্যাহ্বানসমূহৰ যৌথ সমাধান সূত্ৰ অন্বেষণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। কমৰ'ছ, যিবুটি, কেনিয়া, মাডাগাস্কাৰ, মৰিছাচ, ম'জাম্বিক, ছিছিলি আৰু দক্ষিণ আফ্ৰিকাই এই অনুশীলনত অংশগ্ৰহণ কৰিব। নৌ সেনাৰ জাহাজ আই এন এছ চেন্নাই, আই এন এছ কেশৰী আৰু আই এন এছ

সুনেইনাই এই অনুশীলনত ভাগ ল'ব। এ আই কি মি ২০২৫ৰ বন্দৰ পৰ্যায়ত উদ্বোধনী অনুষ্ঠান আৰু অভ্যৰ্থনাৰ আয়োজন কৰা হৈছে। তদুপৰি অহা ১৬ৰ পৰা ১৮ এপ্ৰিললৈকে হ'বলগীয়া সমুদ্ৰ পৰ্যায়ত অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহৰ মাজত সামুদ্ৰিক সুৰক্ষা সহযোগিতা বৃদ্ধি কৰাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০০০০

পশ্চিমবংগত কালি ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ বিৰুদ্ধে হিংসা আৰু অগ্নিসংযোগৰ ঘটনা সংঘটিত চুটি, ছমছেৰগঞ্জ, জালংগি, লালগোলা আৰু ধূলিয়ানৰ স্থিতি নিয়ন্ত্ৰণত আছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে জনসাধাৰণক সংযম বৰ্তাই ৰাখিবলৈ আৰু ধৰ্মৰ নামত সংঘৰ্ষত লিপ্ত নহ'বলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ধবংসাত্মক কাৰ্যত লিপ্ত হোৱা সকলক শাস্তি প্ৰদান কৰা হ'ব বুলি সামাজিক মাধ্যম যোগে সকিয়াই দিছে। তেওঁ লগতে পশ্চিমবংগত ৱক্‌ফ সংশোধনী আইন ২০২৫ ৰূপায়ণ কৰা নহয় বুলি সজোৰে প্ৰকাশ কৰিছে। ইপিনে, বিজেপিৰ ৰাজ্যিক সভাপতি ড০ সুকান্ত মজুমদাৰে কৈছে যে, মুৰ্ছিদাবাদ জিলাত হোৱা হিংসাত্মক ঘটনাত কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ জৰুৰী হৈ পৰিছে। ৰাজ্যিক সভাপতিগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ এই সংক্ৰান্তত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। উল্লেখযোগ্য যে মুৰ্ছিদাবাদত হোৱা হিংসাত্মক ঘটনাত তিনিজন লোক নিহত হৈছে। বিধানসভাত বিৰোধী পক্ষৰ নেতা শুভেন্দু অধিকাৰীয়ে কয়, যে তেওঁ মুৰ্ছিদাবাদৰ বিভিন্ন ৰে'ল ষ্টেচনত অগ্নি সংযোগৰ ঘটনাৰ এন আই এ তদন্ত বিচাৰি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱলৈ পত্ৰ প্ৰেৰণ কৰিছে। ইয়াৰ পূৰ্বে পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰে হিংসা প্ৰভাৰিত এলেকাৰ জনসাধাৰণক কোনো ধৰণৰ উৰা বাতৰিত ভোল নাজাবলৈ আহ্বান জনায়। তেওঁ লগতে আইন হাতত তুলি নলবলৈও অনুৰোধ জনায়। প্ৰভাৰিত এলেকাসমূহত অৰ্ধসামৰিক বাহিনী নিয়োগ কৰা হৈছে আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে তহল দি আছে। এই ঘটনা সংক্ৰান্তত ১১৮ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুৰ্ছিদাবাদত কালি নতুন ৱক্‌ফ সশোধনী আইনৰ বিৰুদ্ধে ভালে সংখ্যক দুষ্কৃতিকাৰীয়ে ঘৰ, দোকান, চৰকাৰী সম্পত্তি আৰু আৰক্ষীৰ বাহনত অগ্নি সংযোগ কৰে। আৰক্ষীৰ আইন-শৃংখলা শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান জাভেদ ছামীমে কৈছে যে, ধন-জন ৰক্ষা কৰাটো প্ৰশাসনৰ অগ্ৰাধিকাৰ আৰু ধবংসাত্মক কাৰ্যত লিপ্তসকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব।

০০০০০০০০০

মোহন বাগান ছুপাৰ জায়েণ্ট কিছুসময়ৰ পাছত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংগালুৰু ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এইবাৰ পঞ্চমবাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হোৱা মোহন বাগানে দ্বিতীয়বাৰৰ বাবে খিতাপ দখলৰ চেষ্টা চলাব। ইয়াৰ বিপৰীতে বাংগালুৰুৱে ২০২৩ চনৰ ফাইনেলত মোহন বাগানৰ হাতত পৰাজয়ৰ পোতক তোলাৰ প্ৰয়াস কৰিব। মোহন বাগানে ছেমিফাইনেলত জামছেদপুৰ ফুটবলক্লাবক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। বাংগালুৰু এফ চিয়ে গোৱা ফুটবল ক্লাবক ২-১ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ শক্তিশালী স্থিতিত উপনীত হৈছে। দলটোৱে ১৮১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১৭ অভাৰত ৩টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰে। গুজৰাটৰ হৈ শুভমন গিলৰ সৰ্বাধিক ৬০ ৰাণ কৰে। ছাই সুদৰ্শনে ৫৬ ৰাণৰ বৰঙণি আগবঢ়ায়। লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ হৈ শ্বাৰ্দুল ঠাকুৰ আৰু ৰবি বিষ্ণৱে দুটাকৈ উইকেট লাভ কৰে।

ইপিনে প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৱেভছ্ শীৰ্ষ সন্মিলন ২০২৫ৰ অংশ হিচাপে অনুষ্ঠিত থীম সংগীত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰিছে। ৱেভছ্ শীৰ্ষ সন্মিলনৰ ৩২টা প্ৰত্যাহ্বানৰ অংশ হিচাপে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সমগ্ৰ দেশৰ ১০০ৰো অধিক প্ৰতিযোগীৰ মাজৰ পৰা ছগৰাকীক বিজয়ী হিচাপে নিৰ্বাচিত কৰা হৈছে। ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীতৰ পৰা আৰম্ভ কৰি সমসাময়িক ধাৰাক সামৰি ৱেভছ সন্মিলনৰ বিষয়বস্তুৰ সৈতে সংগতি থকা গীত-নৃত্য তথা প্ৰতিযোগীসকলৰ মৌলিকতাৰ মূল্যাংকন কৰি বিচাৰকসকলে বিজয়ীসকলক নিৰ্বাচিত কৰে। বিশ্ব অডিঅ' আৰু ভিডিঅ' মনোৰঞ্জন সন্মিলন, ৱেভছ্ অহা ১ৰ পৰা ৪ মে'লৈ প্ৰথমবাৰৰ বাবে মুম্বাইত অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**